# REGIONAL NEWS UNIT
# AKASHVANI
# GUWAHATI

0000000000

**Date :** 30-03-2024
**Time :** 18-00 Hrs

## Assamese Evening Bulletin

::::::::::::::::::::::::::::::::

০০০০

ৰাজ্যত ৩টা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে তৎপৰতা গ্ৰহণ কৰিছে। গোলাঘাট জিলাৰ নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি কাজিৰঙা লোকসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰাৰ্থীসকলৰ প্ৰতীক চিহ্ন আবণ্টন প্ৰক্ৰিয়া সম্পন্ন হয়। উল্লেখযোগ্য যে এই সমষ্টিটোৰ বাবে ১১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। প্ৰাৰ্থী আৰু প্ৰতিনিধিসকলৰ উপস্থিতিত সমষ্টিটোৰ ৰিটাৰ্ণিং বিষয়া ডা০ পি উদয় প্ৰবীণে নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলৰ নামত আবণ্টিত প্ৰতীক চিহ্নসমূহ ঘোষণা কৰে। ইয়াৰ লগতে সংসদীয় সমষ্টিটোৰ প্ৰাৰ্থী তথা প্ৰতিনিধিসকলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত মত বিনিময়ত অংশ লয়।

ইপিনে বাক্সা জিলাত আজি প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণৰ সামৰণি পৰে। উল্লেখযোগ্য যে বাক্সা জিলাৰ কোকৰাঝাৰ লোকসভা সমষ্টি আৰু দৰং-ওদালগুৰিত লোকসভা সমষ্টিৰ অন্তৰ্গত ৪টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত মানাহ, বাক্সা, তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ ৯৪৬টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ এহেজাৰ ১৩৫ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৩ হাজাৰ ৪০৫ গৰাকী প'লিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। লগতে  ৯৪৬ গৰাকী বিএলঅ'ক আৰু ১৬ গৰাকী ন'ডেল বিষয়াক মাষ্টাৰ প্ৰশিক্ষকে প্ৰশিক্ষণ দিয়ে।

আনহাতে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত শিৱসাগৰ নিৰ্বাচনী জিলাত ৬টা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰা হৈছে। জিলাখনৰ মুঠ ৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

একেদৰে ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৫টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ বাবে জিলা প্ৰশাসনে আজি ৩৬ গৰাকী মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰে। ইতিমধ্যেই জিলাখনত এহেজাৰ ৬৬৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ দিয়াৰ পাছত নিৰ্বাচনৰ পূৰ্বে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে ব্যয় পৰ্যবেক্ষক শংকৰলাল বাৰ্মাই ডিমা হাছাও জিলাৰ হাফলঙত উপস্থিত হৈ নিৰ্বাচনী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। লগতে আসন্ন নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। তেওঁ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ বিষয়ববীয়াসকলৰ সৈতেও বৈঠকত মিলিত হয়। ০

০০০০

আসন্ন লোকসভা নিৰ্বাচনত ১০০ শতাংশ ভোটদান নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আজি অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দুখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। শ্ৰীগোৱেলে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক অসমৰ সকলো ভোটাৰক ভোটদান সুনিশ্চিত কৰাৰ বাবে অধিক সক্ৰিয়ভাবে কাম কৰাৰ বাবে আহ্বান জনায়। বুজাবুজিৰ চুক্তি অনুসৰি এওঁলোকে ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিব। গাঁও পঞ্চায়তৰ কাৰ্যালয়, সমবায় সমিতি কাৰ্যালয় আদিৰ হেল্প ডেস্কৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যসকলে সাৰথি বাইদেউ নামেৰে ভোটাৰ সজাগতা তথা ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব। ব্লক, গাঁওসমূহৰ ৮৫ বছৰ বা তাতোধিক বয়সৰ ভোটাৰসকলৰ লগতে দিব্যাংগসকলৰ তালিকা প্ৰস্তুত কৰি সাৰথি বাইদেউসকলে প্ৰশাসন পৰ্যায়ত দাখিল কৰি ভোটাধিকাৰ সাব্যস্ত কৰাত সুবিধা কৰি দিব। একেদৰে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ সাৰথি বাইদেউসকলে ১০০ শতাংশ ভোটাধিকাৰ নিশ্চিতকৰণৰ বাবে ভোটাৰৰ মাজত নীতি-নিৰ্দেশনাৱলী, হেণ্ডবুক, লিফ্‌টলেট আদি বিতৰণ কৰিব। ইয়াৰ উপৰি মহিলা ভোটাৰসকলৰ ৰেলী অনুষ্ঠিত কৰি ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহিত কৰিব।

০০০০

গুৱাহাটীৰ আমবাৰীস্থিত বিজেপিৰ মিত্ৰদল অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত আজি লোকসভা নিৰ্বাচনকেন্দ্ৰিক এখন সভা অনুষ্ঠিত হয়। লোকসভা সমষ্টিৰ বিধানসভা ভিত্তিক সমষ্টি সমিতি, জিলা সমিতি আৰু কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াক লৈ এই সভা অনুষ্ঠিত হয়। দলটোৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ বীৰেন বৈশ্যকে কেন্দ্ৰীয় নেতাসকল এই সভাত উপস্থিত থাকে। নিজ দলৰ লগতে মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক কেনেকৈ জয়ী কৰাব সেই সন্দৰ্ভত অতুল বৰাই ভাষণ আগবঢ়ায়। এন ডি এ চৰকাৰে আয়ুষ্মান ভাৰতকে ধৰি দৰিদ্ৰ লোকক স্পৰ্শ কৰিব পৰা আঁচনি প্ৰৱৰ্তন কৰাৰ বাবে ৰাইজে পুনৰ শাসকীয় দলটোৰ পক্ষত ভোটদান কৰিব বুলি শ্ৰীবৰাই উল্লেখ কৰে।

০০০০

হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ লক্ষ্যৰে গোলাঘাট জিলাৰ কাজিৰঙাত তিনিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাত ১৩খন ৰাষ্ট্ৰৰ বিশেষজ্ঞই অংশগ্ৰহণ কৰিছে। এই কৰ্মশালাত এছিয়া মহাদেশৰ বিভিন্ন ৰাষ্ট্ৰত চলি থকা হাতী-মানুহৰ সংঘাত ৰোধ কৰি এছিয়ান হাতী সংৰক্ষণৰ কৰ্মসূচী আৰু নিৰ্দেশনা প্ৰস্তুত কৰা হ'ব। প্ৰথম পৰ্যায়ৰ আলোচনাত আজি অংশগ্ৰহণকাৰী দেশসমূহৰ প্ৰতিনিধিসকলে হাতী-মানুহৰ সংঘাতৰ পটভূমিত চিত্ৰসহ উপস্থাপন দাঙি ধৰে।

০০০০

সমাপ্ত